# সন্ধানী



A674
27.11.54

# সন্ধানী

শ্ৰীনীলমণি ফুকন,
যোৰহাট।

891.451
P44

সকলো স্বত্ব লিখকৰ ] [ বেচ—৸০ অনা মাত্ৰ

প্ৰকাশক—

শ্ৰীপ্ৰেমধৰ ৰাজখোৱা,

যোৰহাট।

প্ৰথম প্ৰকাশ

শাওণ, ৫০৩ শঙ্কৰাব্দ

যোৰহাটৰ বাতৰি প্ৰেছত ছাপা হ'ল।

# আগ-কথা

সৃষ্টিৰ আদি ক'ত, অন্ত ক'ত—সেই কথা অজ্ঞেয় আৰু অব্যক্ত। অনন্ত কালৰপৰা তাৰ সন্ধান চলি আহিছে যদিও, তাৰ যে বিৰতি কাহানিবা হব, এই কথা মনে কল্পনাৰ ভিতৰলৈকো আনিব পৰা নাই। এই সন্ধানতেই সৃষ্টিৰ সকলো প্ৰকাৰ বিকাশ আমি চকুৰ আগতে দেখিছো। তাৰ পৰিণতি হব ক'ত, সেই কথাকো শেষ মীমাংসাৰ ভিতৰলৈ অনা সম্ভৱপৰ বুলি মানুহৰ বুদ্ধি, যুক্তি, তৰ্কই সিদ্ধান্ত কৰিব পৰা নাই।

সৃষ্টিৰ চাবি মুঠি জীৱৰ ভিতৰত যে এটা নিগূঢ় সম্বন্ধ আছে তাকো এই সন্ধানেই স্থিৰ কৰে। এই অনুসন্ধিৎসা নোহোৱা হ'লে প্ৰাকৃতিক জগতৰ লগত সঙ্ঘৰ্ষ হৈ মানৱ সমাজ চূড়মাৰ হলহেঁতেন। মানৱ সমাজে এই সন্ধানৰ বলতে উদ্দাম প্ৰকৃতিকো প্ৰকৃতিস্থ কৰিব পাৰিছে। অনন্ত জ্ঞানৰ ভাণ্ডাৰ লুণ্ঠন নকৰিও, তাৰ উত্তৰাধিকাৰী হৈছে। পঞ্চভূতী দেহাৰ ক্ষয়বৃদ্ধিৰ মাজতো অমৰণ-অভগন আত্মাৰ সন্তেদ পাইছে। আদি-অনাদি, সৃষ্টি-পাতনিবো অগোচৰ দিব্যলোকৰ ৰঞ্জন-ৰশ্মিৰে নিজৰ ভিতৰখন ফটফটীয়াকৈ দেখিবলৈ পাইছে।

ইন্দ্ৰিয়-গ্ৰাহ্য এই জগতত অতীন্দ্ৰিয় লোকৰ ৰেডিঅ' হৈছে এই সন্ধানেই। ইয়াৰ সহায়তে আমি জন্মজন্মান্তৰৰ বাতৰি পাওঁ। সিপাৰৰ বিংটো শুনো। একৰ গৰ্ভত যে অসংখ্যাত শূন্যই ৰূপ ধৰি আছে তাক অন্তৰ্দৃষ্টিৰে দেখিবলৈ পোৱা যায়। জন্ম-মৃত্যুৰ যে ভেদাভেদ নাই, জীৱনৰ স'তে একেটা পথতে ছেদভেদ নোহোৱাকৈ গৈ আছে তাৰো ঋম পাব পাৰি।

সৃষ্টিখন যি দিনাই মানুহৰ আগত সাঁথৰ হৈ দেখা দিলে, সেইদিন ধৰি মানুহৰ মনত অনুসন্ধিৎসাই থিত ললে। নানা প্ৰশ্নই

মানুহৰ মনত তোলপাৰ লগাই অনন্ত জ্ঞান-সমুদ্ৰত উটুৱাই নিছে। এয়ে মানুহৰ জীৱন-প্ৰৱাহ। এই প্ৰৱাহত জীৱন-তৰী কোন ঘাটত চাপিব, কিংটো ঘাটৰ কাণত পৰিবগৈ নে নপৰে, এই কথা সঠিককৈ কোৱা টান।

সন্ধানতেই জগতৰ গতি, ইয়াৰ গত্যন্তৰ নাই। গতিশীল জগতৰ গতি-পথ পৰিষ্কাৰ কৰি, সন্ধানেই আগে আগে বাট দেখুৱাই গৈ আছে। জীৱন-পথৰ যাত্ৰীসকলে, দাঁতিত কেইখন মহাশ্মশান নিৰ্ব্বাক নিষ্পন্দ সমাধিত নিমগ্ন আছে, তালৈ চকু নিদিয়ে। ধ্যান—গন্তব্য স্থান ক'ত আৰু কেতিয়া পাবগৈ।

অতীন্দ্ৰিয় লোকৰ সূক্ষ্মাতিসূক্ষ্ম অনুভূতিবিলাকৰ পৰশ একমাত্ৰ সন্ধানেই পাব পাৰে। এই সন্ধানৰ সহায়ত মানুহে পম খেদি খেদি জীৱনে নেদেখা, মৰণে ধ্যানত নোপোৱা যিখন আত্মৰম্যপুৰী, নিজক দাপোণত দেখাৰ দৰে দেখে, সি দাপোণৰ প্ৰতিচ্ছবিৰ দৰেই নিৰ্ব্বাক, যদিও নিশ্চল নহয়। সেই প্ৰতিচ্ছবিতেই আত্ম-দৰ্শনৰ প্ৰতীতি জন্মে।

"সন্ধানী"ত লিখকে কিহৰ সন্ধানত ফুৰিছে, নিজে সেই কথা ক'ব নোৱাৰে। প্ৰশ্ন কৰিলেই উত্তৰ আছে—বিচাৰি ফুৰাই তোমাৰ ধ্যান। "সন্ধানী"ত লিখকৰ এটি আত্মপ্ৰত্যয়ৰ কথা কোৱা হৈছে যে প্ৰাকৃতিক জগতৰ দাপোণতহে আত্মদৰ্শন লাভ হ'ব পাৰে। বিজ্ঞান দৰ্শনৰ শেষ আপ্তবচন "ততঃ পৰং কিম"—"আনন্দম্" বোলা মাত্ৰেই যি এটি অনিৰ্ব্বচনীয় সত্তাৰ পৰশ পোৱা যায়, তাতেই জীৱজগত আত্মহাৰা হয়। এই সত্তাৰ সন্ধানত যিবিলাক প্ৰশ্নই বেৰি ধৰে, মীমাংসা হব নোৱাৰা তেনে প্ৰশ্নবোৰৰ অন্ত ক'ত হ'ব—কোনে ক'ব বাৰু?

সাহিত্যৰ একনিষ্ঠ সেৱক অধ্যাপক শ্ৰীমান মহেশ্বৰ নেওগদেৱে লিখকে যুগুত কৰা এই কবিতা কেইটিত কিহৰ সন্ধান পাই "সন্ধানী" নামাকৰণ কৰিলে, সেই কথা লিখকে ক'ব নোৱাৰে। কিন্তু এই নামাকৰণ লিখকৰ মনত খাপখাই পৰা বাবে, লিখকে তেওঁৰ শলাগ লৈছে।

সহৃদয় পঢ়ুৱৈ সমাজে "সন্ধানী"ক খপিয়াই ফুৰা বস্তুৰ অলপ সন্ধান দিলেও লিখক কৃতাৰ্থ হ'ব।

—লিখক।

# উচৰ্গা

কঠোৰ কৰ্ত্তব্য পালন কৰোতে ব্ৰহ্মপুত্ৰৰ অমূৰ্ত্তক ঢৌৰ মাজত
নিজক লীন কৰি দি সলিল-সমাধিত নিমগ্ন হই,
কুণ্ঠাহীন বৈকুণ্ঠৰ সন্ধানত,
যি জনে
নিজৰ পৰিয়ালৰ, দেশবাসীৰ বুকু
উদং কৰি থৈ গল ;
যাৰ আকস্মিক মৃত্যুত ঘৰখন
হঠাতে উৰা মাৰি মইনাই এৰি থৈ যোৱা
সজাটোৰ দৰে হল ;
যাক দেখিলে সকলো প্ৰকাৰ কঙাল "দদাইদেউৰ"
ভোক-পিয়াহ গুচিছিল ;
যাৰ অবিহনে তেওঁৰ সুদা বুকুৰ কামিহাড়
ডাল ডাল হল ;
মহাবাহু ব্ৰহ্মপুত্ৰই দুইপাৰ থলক লগায়ো
যাৰ সন্ধান নেপালে ;
সেইজন ক্ষণজন্মা পৱিত্ৰ-জীৱন
**স্বৰ্গীয় জীৱনৰাম ফুকনৰ**
শেষ নোহোৱা স্মৃতি পথৰ সন্ধানত
**"সন্ধানীক"**
আগ বঢ়াই দি প্ৰাণত অলপ
সান্ত্বনা লভিলো।

—দদাইদেউ—

# সন্ধানী

## সন্ধান

সৃষ্টি পাতনিৰে পৰা আজিল'কে
হইছা কিহৰ উদ্দেশে আকুল
উত্তৰাদি নাপাই সোধা নিজকেই,
বিচৰাটোৱেই কিজানি ভুল।

প্ৰশ্নৰ উত্তৰ আহে আপুনিয়ে—
বিচাৰি ফুৰাই তোমাৰ ধ্যান,
পালা বা নাপালা বিচৰা বস্তুক,
লাগিব নো কাক দিব প্ৰমাণ।

সংসাৰত তুমি নোহোৱা হলেই
সৃষ্টিধন হব দিনতে কণা;
কেনি খুন্দা খাই পৰিব যে কত,
কোনটো খালত—চকুৰে নমনা।

যোৱা আগে আগে বাট দেখুৱাই,
সৃষ্টি পাছে পাছে যাব তোমাৰ;
নালাগে মিছাতে হাবাথুৰি খাব,
পথ নিজে হব পৰিষ্কাৰ।

মহাশূন্য আছে পৰিপূৰ্ণ হই
কিহেৰে, সুধিছা একোবাৰ;
সেয়ে যে হেন্দোলি আছে অনুক্ষণ
প্ৰতি লোমকূপে জীৱৰ গাৰ।

ৰহস্যৰ জাল তৰাই মেলিছে,
গাঁঠিয়ে গাঁঠিয়ে জ্যোতিকণা;
কোনে নো গুঠিলে এইখন জাল,
কৰ কোনে, কত আছেনো টনা।

সোধা আকাশৰ ৰামধনুখনি
কোনে ধৰি আছে কেনেকই;
জলৰ সামান্য বিন্দু এটিয়েই
দেখুৱাই দিয়ে নিজ ৰশ্মিতেই।

পৰ্ব্বতৰ স্তূপ দেখি সোধা তুমি,
কোনে বালিচাহী গোটালে তাত;
সূক্ষ্মতম যিটি চাহী কাঢ়িবৰ
শকতি আছে নে তোমাৰ গাত?

কালৰ গৰ্ভত জাহ যোৱা দেখি
সোধা অত জীৱ কলৈ যায়;
সৰা ভাগি-ছিগি পচিলে উৰুলি,
চৰায়ো মৰিল মুৰুজায়।

প্ৰাণশক্তি লই চাৰি মুঠি জীৱ
কৰ পৰা আহে—কিনো কাৰণ—
সুধি ফুৰা তুমি, সমিধান তাৰ
নাপালেও, পোৱা ৰহস্যকণ।

প্ৰশ্ন তোমাৰ কোনো কালে শেষ
নহয় ৰাবেই আত্মজ্ঞান
লভি আছা তুমি প্ৰতি প্ৰশ্নতেই—
ওচৰ চাপেহি সমিধান।

১২-১২-৪০

# মহান প্ৰশ্ন

কোনে প্ৰশ্ন কৰে উত্তৰ কোনে নো
দিব তাৰ, কোৱাচোন ;
প্ৰশ্নতে উত্তৰ উত্তৰতে প্ৰশ্ন
সোমাই আছে দেখোন।
সমাধান হব পাৰিলেহে প্ৰশ্ন
কৰাটো সাৰ্থক হয় ;
উত্তৰ-বিহীন প্ৰশ্ন গণনাত
ধৰিব লগা নহয়।
প্ৰশ্ন কৰোতাক সুধিলেই হয়,
পালে প্ৰশ্ন ক'ৰপৰা ;
স্বতঃসিদ্ধ যিটো কথা আদিতেই,
মিছা তাৰ প্ৰশ্ন কৰা।
সম্পাদ্য কথাই প্ৰশ্নৰ বিষয়,
প্ৰমাণ কৰিব লাগে ;
প্ৰমাণো নোৱাৰি কৰিব, নধৰি
দুই এক কথা আগে।
প্ৰশ্নৰো আদিতে প্ৰশ্ন মহান—
ক'ৰ পৰা প্ৰশ্ন আহে ;
তাতে সমাধান সকলো প্ৰশ্নৰ
আৰু যে উলটি নাহে।

৮-১-৪১

---

# দ্বন্দ্ব-ভাব

মিলনৰ মাধুৰিমা খিনি
থবলৈ ঠাই মোৰ নাই;
জীৱনত গঢ়িছিলো যিটি
পাত্র মোৰ ভাগি গ'ল হায়!

মিলনৰ মন্দিৰ সাজিলো,
পূজা তাত কৰোতা যে নাই;
হৃদয়ত আসন পাতিলো
নবহিলে আহি দেৱতাই।

হাততেই হেৰাল অতীত
বৰ্ত্তমান ফুৰো থপিয়াই;
ভবিষ্যত ওচৰ নাচাপে
মিলনৰ আৰু আশা নাই।

জন্ম-মৃত্যু মিলনৰ ঠাই
বিচাৰিও নাপাওঁ সন্ধান;
দ্বন্দ্বভাৱ কিয় জগতৰ?—
প্রশ্নটিৰ নাই সমিধান।

১৩।১।৪১

# সৃষ্টিধাৰা

সৃষ্টি স্থিতি লয় নিৰন্তৰে হয়,
তথাপি জগত চলি আছে;
জন্ম মৃত্যু জৰা— টান হাত সৰা
হলেও, জীৱন প্ৰকাশিছে।

চন্দ্ৰ দিবাকৰ উদয় অস্তৰ
সীমাটিকে দেব পৰা নাই;
তথাপি বিশ্ৰাম নাই, অবিৰাম
অনন্ত কালৰ ফাললৈ' যায়।

অপাৰ সাগৰ ছুই অসীমৰ
চৰণ, নিতৌ বাগৰি যায়;
অনন্ত আকাশ— নাই অৱকাশ,
দিগন্তত গই লয় পায়।

বিশাল মৰুৰ বহল বুকুৰ
ওপৰে কিমান ধুমুহা যায়;
তথাপি যে তাৰ বালুকা কণাৰ
কোনো কালে ক্ষয় হোৱা নাই।

যি বছৰ আহে আৰু ঘূৰি নাহে
যদিও, তথাপি ঋতু ছয়
নৱ ৰসধাৰা ঢালি আত্মহাৰা—
প্ৰতি ঋতু কৰে মধুময়।

জান জুৰি নৈ সাগৰত গই
নিজে জলৰাশি দিয়ে ঢালি ;
তথাপিতো তাৰ বই আছে ধাৰ—
একোতে উদং নহয় তলি।

গছৰ ডালৰ শুকান পাতৰ
জহি থহি যায় তল-সৰা ;
কুঁহিপাত মেলে সেউজীয়া বোলে
আকৌ তাৰেই ডালৰ পৰা।

লুইতৰ বালি নাথাকে সমূলি
বাৰিষা কেনিবা তল যায় ;
আহিলে থৰালি বুকুত শৰালি
এহালিৰে তাত শোভা পায়।

এদিন নগৰ হয় যে সাগৰ,
সাগৰ মৰুত মাৰ যায় ;
নগৰ সাগৰ মৰু পৰ্ব্বতৰ
ৰহস্যৰ ক'তো অন্ত নাই।

খণ্ড প্ৰলয়ৰ মাজে জগতৰ
সৃষ্টিধাৰা কেনি বৈ যায় ;
আদি-অনাদিৰো, সৃষ্টি পাতনিৰো
অগোচৰ, য'ত সেই ঠাই।

২২।১।৪১

# সাঁথৰ

যুগে যুগে বাণী আহিছে তোমাৰ
তথাপি যে শুনা নহল শেষ ;
কল্প-কল্পান্তৰে চকুৰ পলক
নপৰিল, চাই আছা অনিমেষ।
জগত সাঁথৰ কৰি থই দিছা,
উত্তৰ বিচাৰি পোৱাটো টান ;
সৃষ্টিৰ ৰহস্য নুবুজা কথাতে
আছে তাৰ যিটি সমিধান।

কাণে কাণে কথা কই আছা তুমি,
বাহিৰত মাথো শুনা নাযায় ;
প্ৰাণে তাৰ বীজ মন্ত্ৰ জপি আছে,
অনাহত ধ্বনি শুনে সদায়।

কোনো কালে তুমি দেখাতো নিদিলা,
দেখা পাম বুলি কোৱাও টান ;
দিয়া বা নিদিয়া দেখা, মনতেই
ভাবিলেই হয় প্ৰত্যক্ষ জ্ঞান।
তোমাৰ সন্ধান নেপালে কেৱেই
আজিলৈকে, হলে ভাগৰা নাই
সৃষ্টি চলাপাত কৰি বিচাৰোতে—
বিচৰা সুখতে তোমাক পায়।

৫।২।৪১

# শান্তিৰ পথ

দেহাৰ মাজেদি বিচাৰিলো মই
শান্তিৰ পথ, আছে নে তাত ;
খলা-বমা বোৰ দেখো যে দুৰ্গম,
গই ভাগৰিলো, নেপালো শাত ।

মনৰ মাজেদি বিচাৰিলো ঘূৰি,
জানোচা তাতেই আছে সি পথ ;
পকুৱাই পাই আৰু যে ঘূৰালে,
যি বাটে দি গ'লো দেখো বিপথ ।

প্ৰাণৰ মাজেদি চাই পঠিয়ালো
জানোচা শান্তিৰ সেন্দুৰী আলি
তাতে পাম, দেখো—পিতনিত পৰো ;
দ-বাম একো নেপাওঁ তলি ।

আত্মাত ল'লো থিত এইবাৰ,
পথ নিবিচাৰো কৰিলো থিৰ ;
দেখো বহি আছো শান্তি আশ্ৰমত,
সিদ্ধ যোগী হবে ধ্যানত স্থিৰ ।

৩০-১৫-৪১

# প্ৰকৃতি '60

বিজুলি চমক তোমাৰেই হাঁহি,
মেঘগৰ্জ্জন তোমাৰে সুৰ;
উত্তাল তৰঙ্গ মহা সাগৰৰ,
তোমাৰেই নৃত্য-ভঙ্গীবোৰ।

তোমাৰেই শুভ্ৰ ললাট অভ্ৰ,
খোপাত লক্ষ তৰাৰ থুল;
নীল অম্বৰ বসন তোমাৰ,
মলয়-অঞ্চল কেনে মৃদুল।

হিমানী শিখৰ তোমাৰেই শিৰ,
কাঞ্চন জজ্যা মনোৰম;
সাগৰে চৰণ নিতে পখালিছে,
খোজত ফুটিছে পদ্মবন।

বিশাল মৰুৰ বালিৰ মাজত
ৰইছে তোমাৰ খোজৰ চিন;
যোজনৰ পথ উৰে পদৰেণু
দিগন্তত গৈ হয় সি লীন।

অতল জলধি তলতো তোমাৰ
জিলিকিছে মণিমুক্তা হাৰ;
জলকুঁৱৰীৰ কোঁচ ভৰি যায়,
নোৱাৰে কৰিব অন্ত তাৰ।

বিজন বনৰ নিজম ছাঁয়াত
জুৰ লই নিতে ভালপোৱা;

মুৰটি বুকুত থই নিজানৰ,
সপোন-সুখত বিভোৰ হোৱা।
অনন্ত আকাশ তন্নুশ্যাম কৰি
থৈছা বোলাই ৰহণ সানি;
মহাশূন্য আঁচি, দেখুৱালা তুমি
বিশ্বপটৰ ৰহস্য থিনি।
আলো ছাঁয়াময় আভৰণ ভেদি,
তোমাৰ দেহাৰ কান্তি বয়;
তাৰেই অকণি লাৱণ্য বিলাই
ঋতুকাল কৰা মধুময়।
ঢাকিছা নিজৰ মুখ ওৰণিৰে,
নিজে সকলোকে দেখি আছা;
মহামায়া তুমি নুবুজি তোমাক,
ভ্ৰান্তজনে ভাবে তুমি যে মিছা।
অনিমেষ নেত্ৰে চাই আছা তুমি
অনন্ত কালৰ মুখলৈ;
অনন্ত পথৰ যাত্ৰী হই তুমি
গই আছা কোন দেশলৈ।
বাটত কিমান যাত্ৰী ভাগৰিছে—
উলটি নোচোৱা এটিবাৰ;
নাই ই যাত্ৰাৰ বিৰাম তোমাৰ,
নেপালে সন্ধান দেৱতাৰ।
১০-৬-৪২

# দিনৰ পৰ্ব্বত

দিনৰ পৰ্ব্বত দেখি কেনেকই
শুই থাকো, কথা যদিও সচা ;
নেখেদি থাকো নো কেনেকৈ তাক
ভাবোঁ, খেদিলেই পাওঁ জানোচা।

যিমানেই খেদো সিমানে আঁতৰে,
আঁতৰিও জানো দূৰ হয় ?
মনে কয় পাবা কেই খোজ গলে,
ভৰিয়ে যদিও কয়—নহয়।

থলা-বমা তাৰ চকুত নপৰে,
দেখি পাৰিথোৱা দলিচাখন ;
ভাবোঁ, তাতে গই খন্তেক জিৰাম,—
ভৰি যে নচলে, পিছলে মন।

দূৰৰ পৰ্ব্বত বাৰে মনোৰম,
দিনৰ পোহৰে ওচৰ কৰে ;
আন্ধাৰত নিজ গাৰ নোমডালো,
চকু পচাৰতে আঁতৰি পৰে।

# সন্ধানী

মেঘ বৰণীয়া ওৰণি মূৰত,
বুকুত বগলি পাখিৰ বা;
উৰি ফুৰে মন লগতে আপুনি,
দেহাত পৰেহি তাৰেই ছাঁ।

ভাগৰি নিজকে সোধো একোবাৰ
আৰু নো লাগিব কিমান পৰ
ছাঁয়া খেদি গই, কায়া পাবলৈ,
দূৰত শুৱনী পৰ্ব্বতৰ।

পোৱা সংসাৰত নিচেই তাকৰ,
নোপোৱা মাজতে পোৱাও আছে;
সপোনতে মাথো আছে সুখ তাৰ,—
পালে নো থাকিল বাকী কি পাছে!

২-৭-৪২

# মোৰেই জীৱন

ক'ৰ ধুমুহাই ঢউবোৰ তোলে,
সেয়ে পৃথিৱীৰ পাৰ কোবায় ;
আহি তাৰে এটি ঢউ কেনিবা দি—
মোৰ বুকুতেই মাৰ যায়।

ক'ৰ মলয়াই ফুলনি সোমাই
ফুলে ফুলে ৰেণু উৰুৱায় ;
তাৰে এটি ৰেণু আহি অনাঘ্ৰাত
ফুলৰ অকণি গোন্ধ বিলায়।

ক'ৰ অনাহত ধ্বনিয়ে জোকাৰে
ভগা বীণ খনি, প্ৰাণত মোৰ ;
এটি জোকাৰতে বাজে জীৱনৰ
ছিগা তাঁৰতেই সপ্তসুৰ।

ক'ৰ কুটাডালি উটি যায় নৈয়ে,
সোঁতত অলপো ৰব নোৱাৰি,
সেয়ে দেখো ৰাই গই আছে মোৰ
শেষ জীৱনৰ ভগা তৰী।

ক'ৰ মৰু আছে দিগন্ত বিয়াপি,
শুকান বালুকা বুকুত লই ;
তাৰে এটি আহি শুচি যায় মোৰ
দুখাৰি চকুলো বোৱাই থই।

ক'ৰ হংসমালা পাখি-মেলি যায়,
জুৰি বুকুখন আকাশৰ ;
সেয়ে দেখো মোৰ মানস সৰত
পাহি মোকলায় পদুমৰ।

ক'ৰ চাপৰিত পহুৱে চিঞৰে,
কিহৰ লতাই শিঙত ধৰে ;
শুনি সি চিঞৰ, দেখো যেন মোৰ
মায়া-মৃগটিও ফান্দত পৰে।

সুদূৰ ধৱল গিৰিৰ শিৰত
শুকুলা ডাৱৰ ওলমি পৰে ;
তাতো যেন দেখো শুভ্ৰ কেশ মোৰ
আকুঞ্চিত হই কেনিবা উৰে।

চিৰকাললৈ চকু মুদি থাকে
যিজনে মৃত্যুৰ কোলা জিনি ;
দেখো তাতে আছে মহা নিদ্ৰা গই,
মোৰ চকুৰেই পলক থিনি।
যিদিনা প্ৰলয় ঘটিব বিশ্বৰ,
মহাপ্লাৱনত উঠিব ভাহি
মোৰেই জীৱন, পদ্মাসন পাতি,
শতদল হই মেলিব পাহি।

১৬-৯-৪২

# মোৰেই মৰণ

আৰ কালি সৰি পৰিলে গছৰ
ডালৰ শুকান এখিলা পাত,
চকুৰ আগত জহি খহি গলে,
দেখো তাতে মোৰ মৰণ-বাট।

ভৰলুৰ মৰা সোতাটো দেখিলে,
তাতে দেখো ধাৰ গৈছে ছিগি
জীৱনৰ মোৰ, শুকাই আহিছে,
পোতত খাই যাব দুপাৰ ভাগি।

মাজনিশা খন 'মৰ ঔ' বুলি
মাতে যেতিয়াই মৰ এ চৰাই;
মোৰেই মৃত্যুৰ আহ্বান শুনো,
ইঙ্গিতেতে মোক মাতি থই যায়।

লুইতৰ পাৰে পাৰে গই মাৰ
যায় যিটো ৰিং সিপাৰ পাই,
সেয়ে যেন কয়—চোৱাহি ইপাৰে,
তোমাল'কো আছে নিজম ঠাই।

দিনটোৰ কাম কৰি হাঁহিমুখে
বেলিটি যেতিয়া অস্ত যায়,
তাতে দেখো মোৰ জীৱনৰ কাম
শেষ হবলই বেছি পৰ নাই।

## সন্ধানী

খহি পৰে গৰা চপৰা চপৰে,
নলৰ গজালি বুকুত লৈ ;
তাতে দেখো মোৰ খহা জীৱনৰ
ধৰিছে গজালি ওলাবলৈ ।

গধূলি হেঙ্গুলি মেঘৰ প্ৰান্তত
সলায় ভাৱৰ ছটাই বৰণ ;
তাতে যেন দেখো মৃত্যুৰ অন্তত
পিন্ধিছো নিজেই নতুন বসন ।

বালি চাপৰিত খোজবোৰ দেখি
মনে মনে ভাবোঁ একোবাৰ,
মোৰে যেন দুটি খোজ পৰি আছে,
বৈতৰণী লৈ হওঁতে পাৰ ।

লক্ষ যোজনৰ দূৰত যি গ্ৰহ
প্ৰাণী-হীন হৈ ফুৰিছে ঘূৰি,
কোনে যেন মোক দেখুৱাই দিয়ে—
আছো সেই মহা শ্মশান জুৰি ।

কোটি সূৰ্য্য-আছে প্ৰকাশিত হই,
তৰাৰ থুপিটি বুকুত থই
পঞ্চভূতী দেহা এৰি যেন ময়ে
আছো তাৰ জ্যোতিকণাটি হই ।

জীৱন-প্ৰদীপে মৰণৰ ছাঁয়া
পেলাই সদায় জ্বলি আছে ;
সিগছ প্ৰদীপে নিজৰ আঁৰতে
মোৰ মৰণৰে ছাঁয়া দিছে ।

৩০-৯-৪২

# স্বৰ্ণময়

ইমান সুন্দৰ সংসাৰখনিয়ে
বেৰি আছে মোক দিনে-ৰাতি ;
মিছাতে কৰিলো হৃদয় শুকান,
নিজ বুকুতেই মৰু পাতি।
নীল বৰণীয়া আকাশে যাচিছে
স্নিগ্ধ অঞ্জন চকুত মোৰ,
মলি কাটি দিয়ে, পৰেহি যেতিয়া
সংসাৰৰ ধূলি কুটাবোৰ।
সাগৰে ঢৌৱাই নিয়ে জলৰাশি
অচিন্ত্য অনন্ত পাৰলই
উটুৱাই নিয়ে জাজমোপা মোৰ
নিদিয়ে আহিব মনলই।
নীল পদ্ম যেন পৰ্ব্বতৰ মালা
ওলমি পৰিছে আকাশত ;
তাৰেই পূজিম মহামায়া, যদি
থিত দিয়ে আহি হৃদয়ত।
জলে দীপমালা—অগণন তৰা,
সন্ধিয়া বেলিকা গগণত ;
তাৰেই আৰতি কৰিম দেৱতা
বহি থুমালে মন্দিৰত।
নই সিপাৰত পৰিছে বালিৰ
চাপৰি, দিগন্ত আছে জুৰি ;

উশাহ নেপালে মনৰ কুঞ্চিত
তাতে পাম বায়ু সেৱি ফুৰি।
বহুল পথাৰ আছে সমুখত
সেউজীয়া-বোল দলিচা পাৰি;
চৰাখন মোৰ উৰুলি গলেও,
তাতেই বহিম আসন জুৰি।
ধৰিত্রীয়ে ধৰে বিমোহন ৰূপ,
প্ৰতি ঋতুতেই সলায় সাজ;
সেই ৰূপৰাশি দেখি হৃদয়ত—
চিৰ বসন্ত কৰে বিৰাজ।
টোপনিতো দেখো ইমান সুন্দৰ
সপোন, বুকুত সাৰটি ধৰো;
সাৰ পায়ো দেখো তাৰে প্ৰহেলিকা,
দিঠকতো তাকে বিচাৰি ফুৰো।
মনৰ মাজতো দেখো সেই একে
কল্প-লোকৰ আলোকপুৰী,
প্ৰাণৰ অন্তেষপুৰতো যে দেখো—
আছে সেয়ে ৰম্য পোহৰ কৰি।
বাহিৰ ভিতৰ ইমান সুন্দৰ
সংসাৰৰ, চাব জানিলে হয়;
এতিয়া বুজিলো কিয় হয় বাৰু
পৃথিবীৰ ধূলি স্বৰ্ণময়।

১৮-১০-৪০

---

# সুখৰ ধাম

নিৰিচাৰো একো মই;
সৃষ্টিৰ সকলো ৰস দেখো মোৰ
হিয়াৰ মাজেদি বাগৰি পৰিছে—
ৰসৰ নিজৰা বয়।

সুখ-দুখ জীৱনৰ
কেনি আহে যায় নাভাবো সি কথা,
চালনিৰে ধৰি থাবলই পানী
নিৰিচাৰো পিয়াহৰ।

পাছলৈ নাচাওঁ ঘূৰি;
আগলৈ বাট আছে বহুদূৰ,
জীৱন-পথৰ যাত্ৰী যেতিয়া,
চলাৰ লাগিব ভৰি।

সোঁতত নাযাওঁ উটি;
উজাই চলাম নাওখনি মোৰ
থাউনি নেপালে লগীয়ে পানীত,
ধৰিম ডাঁৰৰ মুঠি।

ডকাত পৰিলে নাও,
বাহুবল মোৰ কিমান জুখিম,
ডকাৰ বুকুত বঠা বহুৱাই
তললৈ গলেও যাওঁ।

কপালৰ পৰা ঘাম
মাটিত পৰিলে সেয়ে হব মোৰ
গঙ্গোদক শত তীৰ্থ স্নানৰ
ফল হাতে হাতে পাম।

নেলাগে স্বৰ্গৰ সুখ;
পৃথিৱীৰ ধূলি মুঠি লই যদি
উমলি থকোতে বালিঘৰ সাজি—
নথহে জুৰাৰ মুখ।

কৰিব লগীয়া কাম
কৰি যাম, শেষ হওনে নহল,
নাভাবো, নকৰো আকাঙ্ক্ষা ফলৰ—
কৰ্ম্মই সুখৰ ধাম।

১-১১-৪০

# জীৱন

জনম মৰণ আহে আৰু যায়,
কিনো লাগে বুলি সোধোতা নাই;
মাজতে জীৱন স'তে দেখা হলে,
ৰহস্যৰ কথাখিনি কই যায়।
বীজ-মন্ত্ৰ তাৰ জপোতে, জীৱনে,
যিটি মুক্তিপথ, আগতে দেখে;
যাত্ৰী অগণন অহা-যোৱা কৰে;
দিন-ৰাতি—তাক কোনেৰা লেখে!
পাতি যোগাসন ধ্যানত বহিলে
দেখি আগতেই মহাকাল
পথ জুৰি আছে, সুৰুঙা নাৰাখি,
নিজ হাতে তৰি ৰহস্য-জাল।
মন্ত্ৰসিদ্ধ হলে নখ দৰ্পণত
দেখি সকলোটি পৰিছে তাত;
ভেদ কৰে তাক এনে সাধ্য কাৰ,
ভোল যায় সেই ইন্দ্ৰসভাত।
সমাধিস্থ হব পাৰিলেই দেখি
জন্ম মৃত্যু নাই ভেদাভেদ;
জীৱনৰ স'তে একেটা পথতে;
গই আছে, নাই ছেদ-ভেদ।

৬-১১-৪০

# মৰণ

মৰণ! তুমি যে জীৱ-জগতৰ
সমাধিৰ ঠাই, সিদ্ধিৰ পথত ;
জীৱই আজন্ম সাধনাৰ ফল
শেহস্তত পায় তোমাৰ হাতত।

যেতিয়াই কৰা বৈতৰণী পাৰ,
আতমাই দেখে মুক্তিৰ পথ ;
জীৱনে নেদেখা ঠাই মনোৰম,
দেখুৱাই দিয়া—আনন্দ-মঠ ।

জীৱন-যুদ্ধত নিজে পৰাজিত
হই, মৃত্যুঞ্জয় কৰা আতমাক ;
ভস্মীভূত দেহা হলেও নিদিয়া
পাহৰি যাবলৈ আপোনাক।

জীৱনৰ তুমি চিৰ সহচৰ—
ফুৰা অনুগামী হই সদায় ;
চাই ফুৰা লীলা-খেলা জীৱনৰ,
নিজৰ একোতে আশক্তি নাই।

আজিও নিদিলা অলপো চিনাকি—
কোন তুমি নিজে জীৱনক ;
দিবানে এবাৰ চিনাকি তোমাৰ
পৰিব যেতিয়া চকুৰ পলক ?

১৫।১১।৪০

# অকলৈ

অকলৈ নাচে চোতাল আগত
বালিমাহীটিয়ে নেজানো কিয় ;
অকলৈ পাৰে কিৰিলি সজাত
মইনা চৰায়ে—কিনো অমিয় !

অকলৈ উঠে সাগৰ-বুকুত
হিল্লোল এটি তলিৰ পৰা ;
তৰঙ্গে তৰঙ্গে নাচি নাচি যায়—
নেজানো কিহৰ আনন্দ ধাৰা।

অকলৈ পৰি থাকে চাপৰিটি,
লুইতৰ পাৰ শুৱনি কৰি ;
অকলশৰীয়া হৰিণাটি আহি
কোমল গজালি বিচাৰে ফুৰি।

অকলৈ মাতে মাজ নিশাথন,
কেতেকী চৰায়ে সুৱদি মাত ;
অকলৈ ফুলে ভেট-ফুলপাহি,
ছাঁয়াটি পেলাই বিলৰ গাত।

অকলৈ উৰে পথিলাৰ মন,
ফুলৰেণু খায় যেতিয়া উৰি ;
বকুল গছত ফুলে অকলৈ
ফুলৰ কলিটি নিয়ৰ পৰি।

অকলৈ শুনে ৰিংটিয়ে নিজে,
মাৰ যাব খোজা কথাখিনি;
অকলৈ সহা বেদনাৰ কথা
বুকুৱে সৰকি যোৱা শুনি।

অকলৈ সোধা প্ৰশ্নৰ উত্তৰ
দিওঁতা যে নাই বাহিৰত;—
সমিধান তাৰ দিয়ে কোনোবাই
শুনি থাকোতেই ভিতৰত।

নাই অকলৈ অহা জীৱনৰ
যুগ্ম নিজৰ সংসাৰত;
নিজ ৰূপ ৰিটি দেখে নিজতেই—
নেদেখে আনৰ দাপোণত।

৬-১-৪১

# ব্ৰহ্মানন্দ

বাক্য বচনে, সৃষ্টি পাতনিৰে
পৰা আজিল'কৈ নেপালে ঢুকি
তোমাক, হে প্ৰভু! পামনে এতিয়া
এবাৰ এটুপি চকুলো টুকি ?

বিশ্ব কোলাহল শুনোতে শুনোতে,
বধিৰ কৰিলো নিজৰ কাণ;
হৃদি-মন্দিৰত নিতে কৰে কোনে
আৰতি,—হুশুনো স্তুতিৰ গান!

বন্দনাৰ মাজে শুনো আত্মশ্লাঘা,
ধ্যানত নিজৰ ৰূপহে দেখো;
জপৰ মাজতো নিজ নাম, যশ,
আঙুলি মূৰত ঘূৰাই লেখো।

আৰতি বন্দনা জপ, তপ, যত
সকলোটি মোৰ মিছা যে হল
বিচাৰিছো এক, হই উঠে আন,
কায যে তোমাৰ চপা নহল।

বুজিলো এতিয়া মোৰ ভুল প্ৰভু!
তোমাক বিচৰা কোন নো মই—
এই অহঙ্কাৰ ঘুচে মানেই
তোমাক বিচাৰি পোৱা নহয়।

সৃষ্টি তোমাৰেই বিশ্বচৰাচৰ;
তথাপি যে তুমি নিজক লীন
কৰি দিয়া তাতে যাতে কোনো কালে
তুমি আৰু সৃষ্টি নোহোৱা ভিন।

সেই হে সৃষ্টিয়ে নিজ ৰহস্যত
নিমগ্ন থাকিয়ে আনন্দ পায়;
জানিলো এতিয়া—আত্মৰম্যপুৰী
বাহিৰে ক'তো যে ব্ৰহ্মানন্দ নাই।

২৩-৮-৪১

---

# এক

একক একেৰে পূৰণ কৰিলে
ক্ষয় বৃদ্ধি একো একৰ নাই;
একত বেলেগে এক যোগ দিলে,
তেতিয়া হে দুই যেন দেখা যায়।

একক হৰণ কৰিব খুজিলে
একেৰে, এককে পোৱা যায়;
একত যেতিয়া একৰ বিয়োগ
হয়, শূন্য বিনে একোৱে নাই।

শূন্যও হয় পূৰক একৰে—
গণনাই তাৰ সীমা নাপায়;
একৰ গৰ্ভত শূন্য অসংখ্যাত
ৰূপ ধৰে, তাৰ অন্ত নাই।

একতেই শূন্য আছে লীন হই,
কোনে দেখুৱাব তাক ভিন কৈ।

৫-৯-৪৩

# দুই

আগতে একৰ চিনাকি নহলে,
দুইৰো পৰিচয় কিদৰে হয় ?
একে নিজতেই আৰু এক সৃষ্টি
নকৰিলে, দুইৰ জন্ম নহয়।

এক দ্বিধা হলে, একৰেই যোগ
হয় দুইতেই, বিয়োগ নাই ;
একৰেই দুই ভগ্নাংশ মিলি,
একতেই পুনু লয় পায়।

দুইকো একেই হৰণ পূৰণ
কৰি আছে নিতে, ক্ষয় নাই ;
দুই দ্বিধা হলে এক তেতিয়াও
দুইৰো মাজত পন্থ ওলাই।

দুই মাথো দ্বিধা মনৰ মাজত ;
এক অদ্বিতীয় সদায় প্ৰাণত।

৫-৯-৪৩

# অতীন্দ্ৰিয়

জীৱনে যি ঠাই দেখা পোৱা নাই,
অন্ধ মৰণে পাব নে দেখা?
অমাৱস্যাৰ ঘোৰ তমসাৰ
সিপাৰে হে দেখি চন্দ্ৰৰ ৰেখা।

চকুৱে নেপালে দেখা কোনো কালে—
বিশ্বনিয়ন্তা নো আছে বা ক'ত!
তথাপি বিশ্বাসে কয় যে নিশ্চয়
দেখা পাবা—নিজ হৃদয়ত।

কদাপি কাব্যৰ অমৃত ৰসৰ
সোৱাদ জীভাই পোৱা যে নাই;
তথাপি তাৰেই নৱৰস ধাৰা
প্ৰাণৰ মাজেদি বই যায়।

প্ৰাণে নিবিচাৰে দেহাৰ পৰশ—
যাক হাত মেলি পোৱা যায়;
তথাপি কোনেও চকুৱে নেদেখা
আত্মাৰ পৰশ সদায় পায়।

আত্মাই সততে কইছে কাণত
কোনেও নুশুনা কথাবোৰ;
দেখুৱাই আছে কোনেও নেদেখা
জীৱনৰ ৰম্যপুৰী মোৰ।

৭-৯-৪৩

# সত্য

ৰিচাৰি নোপোৱা বস্তুৱেই সত্য,
প্ৰত্যক্ষ জ্ঞানেও নাপায় তাক ;
অনুভূতি যিটি হয়, সিও কয়—
পালা নে বিচাৰি ফুৰিছা যাক ?

বিজ্ঞানে নেপালে বিশ্লেষণ কৰি,
দৰ্শনে নেপালে জুকিয়াই ;
যুক্তিয়ে নেপালে তৰ্কজাল মেলি,
প্ৰমাণে ফুৰিছে খপিয়াই।

বুদ্ধিয়ে ভাবে এইবাৰ ধৰা
পৰিব সত্য যাব কলৈ,
মনে অহঙ্কাৰ কৰি কয়, মোৰ
আছে নে সত্য জানিবলৈ।

ইন্দ্ৰিয়ই কয় ভোগৰ বিষয়
নহয় যেতিয়া সত্য, মোৰ
প্ৰবৃত্তি নহয় সন্ধানত তাৰ ;
অস্তিত্বত আছে সন্দেহ ঘোৰ।

চেতনাত দেখা সত্যৰ যি ৰূপ,
সুপ্তিত স্বকীয়া আকাৰ ধৰে ;
সমাধিত সত্য ক'ত লীন হয়,
সি কথা নিজেও কব নোৱাৰে।

প্ৰাণৰ মাজত আলোড়ি যেতিয়া
উঠে, একোবাৰ মহাপ্ৰাণ,
পৰশতে তাৰ প্ৰত্যয় হয়—
সত্য ব্যাপক গভীৰ কিমান!

১৪-৮-৪৩

# জন্মান্তৰ

জন্মান্তৰ মোৰ আছে সমুখত,
সংশয়ৰ জাল নতৰিবা;
মাজত নেদেখো অন্তৰ একোৰে,
ব্যৱধান সৃষ্টি নকৰিবা।

জন্ম জন্মান্তৰ নহলে নিজৰ,
ইমান প্ৰাচীন ধৰিত্ৰীখন,
কিয় দেখো যেন কোন কালৰেই
পূৰণি চিনাকি আপোন জন?

লক্ষ যোজনৰ দূৰত জলিছে,
ঢিমিকি ঢিমিকি তৰাবোৰ;
আছো যেন দেখি কত যুগ ধৰি,
একোবাৰ পৰে মনত মোৰ।

পৃথিবীৰ ধূলিকণাবোৰ দেখি,
পৰেহি মনত অকস্মাৎ,
কোন জনমৰ শৈশৱতে যেন
ধূসৰিত হই আছিলো তাত।

দিগন্তত গই অসীম আকাশ
মিলিছে যি ঠাই, দেখা নাই;
তথাপি যে লাগে কোনোবা কাহানি
দেখিছিলো যেন সেই ঠাই।

চন্দ্ৰ সূৰ্য্য-লোক ভ্ৰমি পোৱা নাই
যদিও, তাৰেই পোহৰত,
অনাদি কালৰপৰা জ্যোতিষ্মান
হই আছো যেন নিজ কক্ষত।

সাগৰৰ জলৰাশি কোনো কালে
কিমান গভীৰ নাজানিলো ;
তথাপি মনত পৰে কতবাৰ
ঢৌৰে ঢৌৰে গই মাৰ গ'লো।

ৰিংটো মাৰিলে মাৰ যায় ক'ত
কোন্না টান তাক সঠিক কৰি,
তথাপিতো লাগে কোনোবা কালত
মতা মাতষাৰ আহিছে ঘূৰি।

পিতৃলোক কোনো কালে দেখা নাই,
তথাপি উপৰি পুৰুষ মোৰ
আছে ক'ৰবাত নেভাবি নোৱাৰো,
পৰেহি মনত স্মৃতিবোৰ।

নিজে পুৰি ছাই হ'ম য'ত, সেই
শ্মশান চকুৰ আগত পৰি
আছে, যদিস্থাতো, তাতে যেন দেখো
কোনে পাতে মোৰ বৈকুণ্ঠপুৰী।

ৰূপ, ৰস, গন্ধ, শব্দ, পৰশৰ
মাজত জনম লভিছো মই ;
সেয়ে বিষয়—জীৱনৰ মোৰ—
অন্ত তাৰ কোনো কালে নহয়।

ইমান অপাৰ মহিমা সৃষ্টিৰ
চকুৰ আগত লই জনমিলো ;
চকু মুদিলেই মহিমা লোকৰ
পৰা কোনে কয় আঁতৰিলো ?

২০-৫-৪৩

# জীৱন-ধাৰা

ভূমিষ্ঠ হৈয়েই সংসাৰ দেখিলো,
আনন্দাশ্রু গ'ল চকুৰে বৈ,
নৌ কাটোতেই নাই জীৱনৰ,
হাত মেলি দিলো ৰূপ ৰস লৈ।

মুখৰ পৰশ পোৱা মাত্রেই
মাতৃ-স্তন্য ধাৰা বাগৰি গল;
প্রাণে সঞ্জীৱনী সুধা পান কৰি
দেৱতাৰ দৰে অমৰ হ'ল।

চকু মেলিয়েই নেদেখা দেখিলো,
কাণ থিৰ হল হুশুনা শুনি;
মাতৃৰ কোলাৰ পৰশত পালো—
আই বসুমতী ধৰাখনি।

বতাহত পোৱা মলয়াৰ গোন্ধ
হল জীৱনৰ স্নিগ্ধ ঘ্রাণ;
"তৰা এটি দিয়া, সোণক জোনাই!"
ঢুকি পালো যেন স্বৰ্গথান।

শিশুকাল গ'ল নামাকৰণত,
উঠিলো দহৰ এজন হই,
মই ভাব আহি ধৰিলে নিজক,
মেৰপাক খাই আছো যে গই।

অন্ন মুখত পৰিল যিদিনা,
পঞ্চামৃত দিলে মুখত যাচি ;
তাৰেই লখিমী ভৰাল বান্ধিলো,
দিলো জীৱনৰ কঠীয়া সিচি।

মুণ্ডন কৰি দিলে যি দিনাই,
গুচিল মূৰৰ চোকোৰা খিনি ;
কুশাঙ্কুৰ বুদ্ধি গজিল কেশৰ ;
তাৰেই বান্ধিছো সংসাৰ জিনি।

কৰ্ণবেধ হল যিদিনা বুজিলো
কৰ্ণপথে শৰ, জীৱনৰ
মাৰিব লাগিব, সাৱধান হৈ
ৰণ দি ফুৰোতে সংসাৰৰ।

জীৱন-পথত যাত্ৰী অগণন
পালো, যাৰ যি বাটেদি গল ;
বাটকুৰি বাই আহিয়েই আছো,
বাট-পথ চিন নোহোৱা হ'ল।

ভিনে ভিনে বেহা কৰিলো দেহাৰ
অতকাল অন্ত, হৰৰ হ'ল ;
মাটিৰ শৰীৰ মাটিয়েই খাব,
জীৱনৰ ঠাৰি লেৰেলি গল।

সেয়ে সাৰ হৈ ৰদিবা গজায়
কৰবাত তাৰে অঙ্কুৰ এটি;
নেজানো সি কথা, জনাৰো সকাম
নাই, নিজে লব দেহাই গতি।

জানো ইমানেই—এদিন যেতিয়া
শেষ নাথাকিব আৰু ই দেহাৰ,
প্ৰাণবায়ু মোৰ ওলাই কঁপাব
বায়ুমণ্ডল আকৌ এবাৰ।

৮-৯-৪৩

---

# শেষ সমাধি

চকুৰ পলক পৰিলে শয্যাত
মৰণ মুখত পৰিলো বুলি,
দাঙি আনি মোক পাৰিবা সি দৰে
উলিয়াই থব দুৱাৰ-ডলি।

তেতিয়াও যদি মহা নিদ্ৰাত,
সুখৰ সপোন দেখো এবাৰ,
'মৰিলা যেতিয়া, নোৱাৰা দেখিব
স্বপ্ন' কবলৈ সাধ্য আছে কাৰ?

হাত ভৰি চকু নাক সকলোটি
শ্মশানত পুৰি কৰিবা ছাই;
দেহাৰ একোৱে নাথাকিব আৰু
হাড়কো পেলাব মাটিয়ে খাই।

তথাপি তপত খোলা শ্মশানৰ
ভেদি যেতিয়াই উঠিব স্মৃতি,
নেদেখি একোকে অৱশেষ মোৰ,
গুমৰিব তাত দিন কি ৰাতি।

স্মৃতিও এদিন লুইতৰ সোঁতে
কেনিবা দি নিব পাৰে উটাই,
তপত খোলাও চেঁচা পৰিলেও,
মহাসাগৰত পাব যে ঠাই।

তাতো শেষ বুৰবুৰণিটি তুলি,
অতল সাগৰ তলিত মাৰ
যাব, সাগৰৰ ঢউৰ লগত,
সদায় থাকিব আলোড়ি পাৰ।

সাগৰো শুকাই মৰুৰ বুকুত
মাৰ যাব পাৰে কোনোবা দিন;
তাৰে ৰাশি ৰাশি বালিৰ মাজত
স্মৃতিটি আকৌ হব বিলীন।

তেতিয়াও তাত ধুমুহা উঠিলে,
বালুকাৰ সতে যাব যে উৰি;
অনন্ত পথত বাট হেৰুৱালে,
শূন্যৰ বুকুত ফুৰিব ঘূৰি।

জাগৰি-জিগৰি স্মৃতিটি অকলে'
বিছিয়াৰ—কেৱে দিয়ে বা মাত;
নিদিলে নিজৰ কাঁহ পৰি জীণ
যোৱা ঠাইতেই লভিব শাঁত।

তাতো আহি দিব সপোনত দেখা,
আছিল যিমান বিস্মৃতিবোৰ;
স্মৃতি-বিস্মৃতিৰ মাজত আকৌ
দেখা দিব আহি দোমোজা মোৰ।

স্মৃতি-বিস্মৃতিৰ দোমোজাত পৰি,
কৰিব নোৱাৰি একোকে থিৰ,
ঢাল লৱ কোনফালে, তাক ভাবি
ছুনাই আৰু যে নহওঁ অধীৰ।

শেষ সমাধিৰ ঠাই বিচাৰিম
নিজৰ বুকুত আসন পাতি,
প্ৰাণৰ দেৱতা আৱাধি থাকোতে
লীন হব মোতে সকলো স্মৃতি।

২১-৯-৪৩

# পুতলা নাচ

জুইৰে হেঁতালি খেলি চালো মই,
তাৰে তাপ আহি লাগিল বুকত;
ফেঁটিৰ মূৰত হাত দি ভাবিলো,
স্যমন্তক মণি পালো হাতত।

ভাঙি দুই হাতে পুৱাৰ কুঁৱলী,
ভাবিলো বেলিৰ পোহৰ পাম;
ছাটিহে পেলালে, শূন্য আকাশৰো
সুৰুঙা এটিকো দেখা হল টান।

পছোৱা আহিছে দেখি এৰি দিলো,
বতাহত মোৰ পাখি নাও;
বাটত ছিগিল পালতৰা জৰী—
ঘাট কৰবাত—ভটিয়াই যাওঁ।

মাজ বাটতেই পকৰাই পালে,
নিজৰ বিঙেই মতা যেন শুনো;
লগধৰো বুলি আগবাঢ়ি যাওঁ—
নেদেখি একোকে কপাল গুণো।

আন্ধাৰ নিশাত উজুটিত ছিগে
নখ, দেখো জুইকুৰা আগত;
যিমানেই খেদো সিমানে আঁতৰে;
ঘূৰি চাওঁ—দেখো পিতনি মাজত।

মাংসৰ লোভত খেদিলো হৰিণা,
পৰিলোহিঁ আহি বাঘৰ মুখত ;
নিজৰ মঙহ খায় এবে কোনে—
জীৱ গল মোৰ চুলিৰ আগত।

কিহৰ কাৰণে ফুৰো এইদৰে,
নিজেতো একোকে বিচৰা নাই ;
আঁৰ-কাপোৰৰ সিপাৰত ৰহি,
কোনে পুতলাৰ নাচ দেখুৱায়।

কাপোৰ গুচালে নেথাকে যে একো—
কাঠৰ পুতলা মাটিত পৰি,
ৰহস্যৰ জাল চকুৰ আগতে
ভাঙি দিব—প্ৰাণ সুদা কৰি।

১৪-৯-৪৩

# মন্ত্ৰসাৰ

কোন সৰগৰ দেৱদূত তুমি,
কিহৰ মিলন ৰাতৰি লই,
আহিছা নমাই মন্দাকিনী ধাৰা—
প্ৰাণৰ মাজেদি গৈছে বই।

কোননো মিলন-প্ৰয়াসী যক্ষৰ
মেঘদূত, কোন অলকাৰ
অন্তঃপুৰত বাৰ্ত্তা দিবলৈ
প্ৰণয়ীজনৰ শান্তনাৰ।

কোননো চাকৈ-চকোৱাহালিৰ,
শৰবিদ্ধ হোৱা মিলনৰ
মাজেদি বোৱাই দিব যে খুজিছা,
কাব্যামৃত ৰস জগতৰ।

কোন আশ্ৰমত মৃগয়াৰ ছলে,
মাৰিব খুজিছা ফুল শৰ;
পদুম পাতেৰে ঢাকিব খুজিছা
বুকুৰ পোৰণি বিৰহৰ।

কৰ্ত্তব্য-বিমুখ অভিশপ্ত-প্ৰেম—
নোহে ইটো চিন মিলনৰ;
সোঁৱৰাই দিব খুজিছা আকৌ
অভিজ্ঞান যিটো জগতৰ।

স্বৰ্গ-মৰতৰ মিলন-ভূমিত,
কত ৰকমৰ হৈছে খেলা ;
নিৰন্তৰে তুমি আছা বহি তাতে,
পাতি আনন্দৰ মহামেলা।

ভাৱৰ ভাষাৰ অপূৰ্ব্ব মিলন
কৰি দিয়া আজি ঘূৰিবাৰ ;
কাব্য-কাহিনীত জ্ঞান প্ৰৱাহৰ
বই যায় যেন ৰসৰ ধাৰ।

ছন্দে ছন্দে তোলা এটি নৱ ধ্বনি,
অগ্নিমন্ত্ৰ হওক উচ্চাৰিত ;
দিয়া তমোৰাশি ভস্মীভূত কৰি,
উজলক জ্ঞান—আহুতিত।

শব্দ-ব্ৰহ্ম স'তে আত্ম-অনুভূতি
দিয়া লয় কৰি এটিবাৰ ;
অনাহত ধ্বনি উঠক প্ৰাণত—
মহামিলনৰ মন্ত্ৰসাৰ।

# কবিতাৰ প্ৰাণ '৬০

ছন্দবিহীন কবিতা মোৰ,
ঘূৰি ঘূৰি আছে নাপায় সুৰ
কিহৰ, নোৱাৰো কব,
কোনে তাৰ সুৰ দিব।

কোন সুদূৰৰ আহিছে তান,
কোন অসীমৰ অনন্ত গান,
খুজিছে তাকেই গাব,
নোৱাৰে যে সুৰ দিব।

ৰাগ-ৰাগিনীৰ ঐক্যতান
ঝঙ্কাৰে বিশ্ববীণাৰ প্ৰাণ;
তাৰেই জোকাৰ যিটি,
কবিতাৰ সেয়ে গীতি।

যি গানকে গাব খুজিছে মোৰ
প্ৰাণে, বিচাৰি নাপাই সুৰ
যায় মূৰ্চ্ছা একোবাৰ—
ছন্দে ছন্দে কবিতাৰ।

এই মূৰ্চ্ছনাতে চিন্ময় ৰূপ
দেখো কবিতাৰ অপৰূপ—
নেদেখা সুন্দৰী মোৰ,
জিনি আছে অন্তঃপুৰ।

স্বপনে দিঠক নোবুজাবো কব,
ছাঁয়াইনে কায়া নোবুজাবো ছুব—
জানোচা আঁতবি যায়;
থাকো দাপোণতে চাই।

তন্দ্রাত হৃদয়-তন্ত্রী ছুই
দিলে কোনে মই থাকোতে শুই;
পৰশত বুজি পালো
হৃদয়-ছাঁয়া আলো।

ছাঁয়া আলোবেই দেখো লীলা।
সপোনতো সেই একেটি খেলা;
কোনে গায় তাৰে গান—
সেয়ে কবিতাৰ প্ৰাণ।

২১-৯-৪৩

# অন্ত ক'ত

যিহৰেই আদি বিচাৰো তাতেই
অনাদিৰ শুং ওলাই পৰে ;
যিহৰেই অন্ত বিচাৰি ওলাওঁ,
অনন্তই তাতে পাক দি ধৰে।

ক'ৰপৰা ৰশ্মি পালে বেলিটিয়ে—
এই প্ৰশ্ন যদি কোনোৱে কৰে ;
কোনে কাক দিয়ে পোহৰ, অবাক !
কোটি সূৰ্য্য আহি আগত ঘূৰে।

সন্ধিয়া তৰাটি টিমিকি টিমিকি
জ্বলে আকাশত, আনটি নাই ;
লেখিব ধৰিলে এটি দুটি কৰি,
অন্ত তাৰ আৰু পোৱা নাযায়।

পৰ্ব্বতৰ এটি টিঙত বগালে,
উঠা শেষ হল ভৱা যে যায় ;
বগাই অন্তালে শেষ টিং যিটো—
আনটিয়ে নিয়ে আঁতৰাই।

বাষ্পকণিকাটি আহে কৰপৰা—
ভাবো, ডুবৰিব নিয়ৰ চাই ;
মাৰ গ'লে দেখো লক্ষ কোটি তাৰে
অনন্ত সাগৰ হেন্দুলি যায়।

বিৰাট বিশ্বৰ য'তে কেন্দ্ৰ কৰো,
অসীম পৰিধি আঁতৰি যায় ;
কেন্দ্ৰ এৰি গলে তাকো যে নেদেখি—
বৃত্তটিও বিন্দু যেন দেখুৱায় ।

শূন্যত ওলমা গ্ৰহ-নক্ষত্ৰৰ
পৰিমাণ কোনে বিচাৰি পাব ?
সৌৰ জগতৰ একোটি সূৰ্য্যও
তুলনাত বালিচাহী যেন হব ।

আনফালে অনুপৰমাণুটিৰো
কিমান বিশাল পৰিমাণ !
ভিতৰ সোমাই চালে শেষ নাই
অন্তঃপুৰ ক'ত উলিওৱা টান ।

ভ্ৰমি ফুৰে মন বিশ্বব্ৰহ্মাণ্ডৰো
সীমা ডেই যাব খোজে সদায় ;
নিজৰ ভিতৰ সোমালেও দেখে
ভাব-ৰাজ্যৰ শেষ সীমা নাই ।

সৃষ্টিৰ পাতনি নিতে হই আছে,
শেষ ক'ত তাক কোনে কব ?
শেষ থাকিলেও অশেষ প্ৰশ্নই
নিদিয়ে যে তাৰ ওচৰ চাপিব ।

জীৱনে বিচাৰে নিতে বালিঘৰ
সাজি, নিতে ভাঙি আনন্দ পাব ;
ভঙাৰ পাছতো সজাৰ আনন্দ,
নিৰন্তৰে তাত চলি থাকিব।

মৰণে বিচাৰে নিজ সমাধিৰ
ঠাই এডোখৰ, মনোৰম ;
নেজানে সি ঠাই আছে নে বা ক'ত ;
কোন বাটে গলে হব সুগম।

আকাঙ্ক্ষাৰ শেষ নহয় প্ৰাণত ;
তুলসী গুৰিতো তামোলবাৰী
মনে পাতি লয়, তাৰেই এথোক
শেষ উশাহত থই যায় পাৰি।

বিচাৰো যি কথা সমাধান কৰো,
তাতেই প্ৰশ্নই লগায় মাত ;
সিদ্ধান্তত তুষ্টি নহয় প্ৰশ্নৰ—
ঘাই কথা গই পৰে কৰবাত।

অনন্ত জ্ঞানৰ বাবে হে সৃষ্টিৰ
আদি অন্ত পোৱা টান আক ;
মীমাংসা নোহোৱা প্ৰশ্নবোৰৰ
অন্ত ক'ত হব—কোনে কব বাক ?

২৬.৯.৪৩

—শেষ—

D.M.K. Library
Accession No. 674
…rugarh

S

A 674
27.11.54.

891·
P